অধ্যায় ৪ ঃ বৰগীত

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য

4.2 পৰিচয়

4.3 বৰগীতৰ সাধাৰণ পৰিচয়

4.4 *নাৰায়ণ কাহে ভকতি কৰো তেৰা*

- 4.4.1 কবি পৰিচয়
- 4.4.2 মূল পাঠ আৰু শব্দার্থ নিৰূপণ
- 4.4.3 বিষয়বস্তুৰ সাধাৰণ আভাস
- 4.4.4 আধ্যাত্মিক ভাবৰ প্রকাশ

4.5 *আলো মঞি কি কহবো দুখ*

- 4.5.1 কবি পৰিচয়
- 4.5.2 মূল পাঠ আৰু শব্দার্থ নিৰূপণ
- 4.5.3 বিষয়বস্তুৰ আভাস
- 4.5.4 গীতটিৰ বিশ্লেষণ
- 4.5.5 কাব্যিক সৌন্দর্য

4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

4.7 অধিক জানিবলৈ

4.8 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

4.9 আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৰগীত মানে কি, ইয়াৰ মূল বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞাত হ'ব
- *নাৰায়ণ কাহে ভকতি কৰো তেৰা* শীর্ষক গীতটিৰ মাজত অন্তর্নিহিত হৈ থকা গধুৰ তত্ত্বৰ বিষয়ে অধ্যয়ন কৰি আলোচনা আগবঢ়াব পাৰিব
- *আলো মঞি কি কহব দুখ* শীর্ষক বৰগীতটিৰ বিষয়বস্তু তথা কাব্যিক সৌন্দর্যৰ লগতে মাধৱদেৱৰ দাস্যভক্তিৰ গভীৰতাৰ বর্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যাটিত আপুনি মাধৱ কন্দলিৰ ৰামায়ণৰ *ৰাৱণৰ অহঙ্কাৰ* অংশ বিশদভাৱে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি শঙ্কৰদেৱ আৰু মাধৱদেৱ বিৰচিত দুটি অতি জনপ্রিয়

বৰগীতৰ বিষয়ে অধ্যয়ন কৰিব। অধ্যায়টিত অধ্যয়ন কৰিবলগীয়া বৰগীত দুটি হৈছে মহাপুৰুষ শঙ্কৰদেৱৰ *নাৰায়ণ কাহে ভকতি কৰো তেৰা* আৰু মহাপুৰুষ মাধৱদেৱৰ *আলো মঞি কি কহবো দুখ*। বৰ্তমান প্ৰাপ্ত শঙ্কৰদেৱৰ 35টি বৰগীতৰ অন্তৰ্গত *নাৰায়ণ কাহে ভকতি কৰো তেৰা* শীৰ্ষক গীতৰ মাজেৰে নাৰায়ণক কিমতে ভকতি কৰিব তাৰ বাট বিচাৰি নোপোৱা বুলি কৈছে। নাৰায়ণ সকলোতে ব্যাপ্তিমান; কিন্তু জীৱই জীৱৰ প্ৰতি কৰা নিন্দা, হিংসা আৰু শঠতাৰ দ্বাৰা যে দৰাচলতে তেওঁৰ প্ৰতিহে এই কাম কৰা হৈছে, সেই বৰ্ণনাই এই গীতটিৰ মাজেৰে দাঙি ধৰা হৈছে।

দ্বিতীয়টি বৰগীত মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত বৰ্তমান প্ৰাপ্ত 182টি বৰগীত অন্তৰ্গত এটি জনপ্ৰিয় বৰগীত। ইয়াত মাধৱদেৱে শ্যামসুন্দৰৰ চন্দ্ৰসদৃশ মুখখন দেখিবলৈ নাপাই ব্ৰজৰ গোপিনীসকলৰ যি বিৰহ-বেদনা, সেই বিৰহৰ জুইত কেনেদৰে জ্বলিব লাগিছে, তাৰ এক অনুপম বৰ্ণনা দাঙি ধৰিছে। গুণৰ ভঁৰাল শ্যামকানুক কত পূণ্যৰ ফলত লাভ কৰিছিল, কিন্তু নিষ্ঠুৰ বিধাতাই সকলোকে বঞ্চিত কৰি কানুক লৈ গ'ল। একমাত্ৰ বন্ধু শ্যামকানু অবিহনে জীৱনৰ আৰু কি কাম ? সেয়ে অৱশেষত মাধৱদেৱে কৈছে যে শ্যামকানুৰ ৰঙা চৰণ দুটিয়েই হৈছে সকলোৰে আশ্ৰয়স্থলী।

৪.৩ বৰগীতৰ সাধাৰণ পৰিচয়

আমি আটায়ে জানো যে ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে মহাপুৰুষ দুজনাই যি গীতিকবিতা ৰচনা কৰিছে সেই গীতিকবিতাসমূহক এক সুকীয়া মৰ্য্যাদা দি 'বৰগীত' বোলা হৈছে। শঙ্কৰদেৱ বা মাধৱদেৱে এই গীতিকবিতাসমুহক 'বৰগীত' বুলি নামকৰণ কৰাৰ সাক্ষ্য কোনো পুথিয়ে আমাক নিদিয়ে। অৱশ্যে *অনেক শ্ৰমকৈ গীতখানি কৈলো* বুলি শঙ্কৰদেৱে নিজৰ এই শ্ৰেণীৰ ৰচনাসমূহক গীত বুলিহে উল্লেখ কৰাৰ কথা চৰিত পুথিয়ে সাক্ষ্য দিয়ে। পৰৱৰ্তীকালৰ ভকতসকলেহে শঙ্কৰ-মাধৱে ৰচনা কৰা মহত্বপূৰ্ণ গীতসমূহক শ্ৰেষ্ঠত্বসূচক 'বৰ' বিশেষণটো সংযোগ কৰি বৰগীত আখ্যা দিয়ে। বৰগীতৰ অৰ্থ হ'ল শ্ৰেষ্ঠ গীত। আধ্যাত্মিকতা, ধাৰ্মিকতা, পৱিত্ৰতা আৰু শ্ৰেষ্ঠতাৰ দিশৰ পৰা জুখি চালে বুজা যায় যে বৰগীতসমূহৰ মান অতি উচ্চ পৰ্য্যায়ৰ। সাধাৰণ প্ৰেম-বিৰহ বা শৃঙ্গৰ ৰসৰ প্ৰাদুৰ্ভাৱে বৰগীতসমূহক চুব পৰা নাই কাৰণেই এই গীতিকবিতা-সমূহক 'বৰগীত' বোলা হয়।



জানি থোৱা ভাল

গুৰু দুজনাই ৰচনা কৰা বৰগীতৰ সংখ্যা বিভিন্ন আলোচকে ভিন্ ভিন্ ধৰণে উল্লেখ কৰে। চৰিতপুথিত উল্লেখ থকা মতে শঙ্কৰ গুৰুজনাই বাৰকুৰি গীত ৰচনা কৰিছিল। পিছে কমলা বায়নে আওৰাবলৈ নিওঁতে বনপোৱা জুইত সকলো জাহ গ'ল। ভকতসকলৰ মুখত 35টা (কাৰোবাৰ মতে 34টা) গীতহে ৰ'ল। সেই কেইটাই বৰ্তমান প্ৰচলিত হৈ আছে। মনৰ দুখত শঙ্কৰদেৱে প্ৰিয় শিষ্য মাধৱদেৱক এনে গীত ৰচনা কৰিবলৈ কয়। গুৰু আজ্ঞা শিৰোধাৰ্য্য কৰি মাধৱদেৱে নকুৰি এঘাৰটা

গীত ৰচনা কৰে। অৱশ্যে বর্তমানলৈকে তাৰে 182টা গীতহে উদ্ধাৰ হৈছে। খেনোৰ মতে এই সংখ্যাতো তাৰতম্য আছে।

খ্ৰীষ্টিয় 1591–1674 চনৰ ভিতৰত ইংৰাজ কবি ৰবার্ট হেৰিকে কিছুমান আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰিছিল। এই কবিতাবোৰৰ সৈতে তুলনা কৰি সাহিত্য-আলোচক, ভাষাবিদ বাণীকান্ত কাকতিয়ে ৰৱগীতসমূহক 'Noble Numbers' বুলিছে। অসমীয়া ভাষা সাহিত্যৰ পণ্ডিত কালিৰাম মেধিয়ে 'The great song or song celestial' বুলি বর্ণনা কৰিছে। দেবেন্দ্রনাথ বেজবৰুৱাই 'Holy Song' বুলিছে। সাহিত্য-আলোচক মহেশ্বৰ নেওগে ৰৱগীতসমূহক 'অসমৰ ক্লাচিকেল সঙ্গীত' বুলি অভিহিত কৰিছে। আকৌ ৰাজমোহন নাথে ৰৱগীতক 'Classical Song' আৰু ঘোষাক 'Noble Numbers' বুলিছে।

ৰৱগীতসমূহৰ মাজত এনে কিছুমান বৈশিষ্ট্যৰ কথা উল্লেখ কৰিব পাৰি, যিবোৰে ইয়াক অন্য গীতৰ পৰা পৃথক কৰিছে। সাহিত্য আলোচক মহেশ্বৰ নেওগে এই বৈশিষ্ট্যসমূহ উল্লেখ কৰিছে এনেদৰে—

- ৰৱগীতৰ ভাষা
- বিষয়বস্তুৰ সংৰক্ষণশীলতা
- ৰৱগীতৰ সুৰ
- চৈধ্য প্রসঙ্গৰ পৰিক্রমাত ৰৱগীতৰ স্থান
- ৰৱগীতৰ সীমাবদ্ধ পৰিত্রতা আৰু
- ভক্তিৰ গাঢ়তা।

প্রাচীন কালৰে পৰা অসমত প্রচলিত হৈ থকা মৌখিক গীত-পদ তথা অন্যান্য ৰাগ-তালযুক্ত গীতবোৰৰ তুলনাত উপর্যুক্ত বৈশিষ্ট্যসমূহে ৰৱগীতসমূহক এক সুকীয়া মর্য্যাদা দিছে। সেয়ে ৰৱগীত বুলিলে শঙ্কৰদেৱ-মাধৱদেৱৰ দ্বাৰা সৃষ্ট শাস্ত্রীয় ৰাগ-তালযুক্ত, চৈধ্য প্রসঙ্গত গাব পৰা, বিষয়বস্তুৰ সংযমবিশিষ্ট, ব্রজাৱলী ভাষাত ৰচিত গীতসমূহকহে বুজায়। তলত এই বৈশিষ্ট্যসমূহৰ চমু বিশ্লেষণ আগবঢ়োৱা হ'ল—

- **ৰৱগীতৰ ভাষা ঃ** ৰৱগীতৰ প্রথম আৰু প্রধান বিশেষত্ব হ'ল ভাষা। শঙ্কৰদেৱৰ জীৱনকালত অসম, বঙ্গ আৰু ওডিসাত বিশেষকৈ শ্রীকৃষ্ণক কেন্দ্র কৰি মধুৰা-বন্দাবন আদি ঠাইত গীত-মাতৰ মাজেৰে এটি কৃত্রিম ভাষা সৃষ্টি হৈছিল। শঙ্কৰদেৱে দুবাৰকৈ কৰা তীর্থ-ভ্রমণ কালত নানা ঠাই পৰিভ্রমণ কৰোঁতে এই ভাষাটোৰলগত পৰিচয় ঘটে। পূব ভাৰতৰ ৰাজ্যসমূহত এই ভাষাটোক 'ব্রজবুলি' আখ্যা দিয়া হৈছে। অসমতহে পোনতে ইয়াক 'ব্রজাৱলী' বোলা হৈছে। ই কোনো এক বিশেষ অঞ্চলৰ কথিত ভাষা নহয়। সমগ্র ভাৰতবর্ষত যেতিয়া ভক্তি আন্দোলনৰ ঢৌৱে বিধৌত কৰিছিল তেতিয়া ভাৰতৰ আন আন ঠাইত 'ব্রজবুলি' ভাষাত বহুতো সাহিত্য ৰচনা হোৱাৰ দৰে অসমতো শঙ্কৰ-মাধৱৰ প্রচেষ্টাত এই কৃত্রিম ভাষাটোত প্রথমে 'ৰৱগীত' আৰু পাছত অঙ্কীয়া নাট ৰচিত হ'বলৈ ধৰে। সেই সময়ত উপযুক্ত সাহিত্য সৃষ্টি কৰিব পৰা একোটা নিজস্ব প্রান্তীয় ভাষা থকা

সত্বেও বৈষ্ণৱ কবিসকলে বিশেষকৈ শঙ্কৰদেৱ আৰু মাধৱদেৱে ভাষাৰ এনে এটা সুকীয়া ৰূপ গ্ৰহণ কৰা বাবেই হয়তো বৰগীতসমূহক সেই সময় প্ৰচলিত আন লৌকিক গীতৰ পৰা পৃথক কৰি বিশেষ স্থান দিয়া হৈছে।

- **বিষয়বস্তুৰ সংৰক্ষণশীলতা ঃ** বিষয়বস্তুৰ সীমাবদ্ধতা আৰু সংযমে বৰগীতক অন্য এক বিশেষত্ব প্ৰদান কৰিছে। আধ্যাত্মিক চিন্তাৰ সু-প্ৰকাশ, বেদান্তৰ তত্ত্ব প্ৰকাশ, ভগৱান শ্ৰীকৃষ্ণৰ বাল্যকালৰ ৰূপ তথা বিশ্ববিমোহন ৰূপৰ বৰ্ণনা বৰগীতসমূহত মূৰ্ত হৈ উঠিছে। এই ভাবৰ বৰ্ণনাত ক'তোৱেই ৰাধা-কৃষ্ণৰ প্ৰেমৰ বৰ্ণনা বা শৃঙ্গাৰ আদি ৰসযুক্ত বৰ্ণনা নাই। শ্ৰীকৃষ্ণৰ ৰাসলীলাত ৰাসক্ৰীড়াৰ বৰ্ণনা আছে যদিও সি শৃঙ্গাৰ সৰ্বস্ব নহয়। তাত আধ্যাত্মিক চিন্তাৰ জৰিয়তে শ্ৰীকৃষ্ণৰ অৱতাৰী লীলাৰ বৰ্ণনা কৰা হৈছে। বৰগীতৰ বিষয়বস্তু সম্পৰ্কে সাহিত্য আলোচক মহেশ্বৰ নেওগে কৈছে— 'হৰমোহন', 'প্ৰেমকলহ', 'ৰাসযাত্ৰা' বা 'কেলিগোপাল'ৰ কাহিনী বৰগীতত নাই। বৰগীতত আছে 'বেদান্তৰ মৰ্ম' সহজ-সৰল ভাষাত; তাত বাজি আছে আধ্যাত্মিক চিন্তা ঐকান্তিক ব্যক্তিৰ গদ গদ সুৰত আৰু আছে বিশ্বম্ভৰ 'ভগৱান স্বয়ং' শ্ৰীকৃষ্ণৰ বিশ্ব বিমোহন বাল্যৰূপৰ বিৱৰণ জকমকীয়া শব্দৰ আধাৰত।"
- **বৰগীতৰ সুৰ ঃ** বৰগীতৰ সুৰৰ ভাব ঘনত্বই হৈছে ইয়াৰ এক অনন্য বৈশিষ্ট্য। ৰাগ-তাল-ছন্দ-লয় আৰু ভক্তিৰ আবেগপ্ৰোথিত সুৰ সঞ্চালনে আৰু বিভিন্ন ৰসৰ সমাহাৰেৰে প্ৰসঙ্গোপযোগী বৰগীতৰ সুৰে ভক্তক ভগৱানৰ শ্ৰীচৰণলৈ টানি আনি ভগৱানৰ লীলাৰ আনন্দময় জগত এখনত বিলীন কৰি দিয়ে। চৰিত পুথিত পোৱা যায় যে শংকৰেদেৱৰ ৰাগত পাতিসোন্দা গছৰ পাত সৰি তাত নতুনকৈ পাত আহিছিল। জুয়ে পুৰাৰ পৰা ৰক্ষা পোৱা গীতসমূহৰ উপৰি নাটৰ গীতসমূহত প্ৰয়োগ কৰা ৰাগসমূহলৈ লক্ষ্য কৰিলে চকুত পৰে যে শঙ্কৰদেৱ-মাধৱদেৱে ধনশ্ৰী, কৌ, কল্যাণ, সিন্ধুৰা, কামোদ, কেদাৰ, সুহাই, ভাটিয়ালী, আশোৱাৰী, শ্যাম, ললিত, বৰাড়ী, শ্ৰী, মল্লাৰ, নাটমল্লাৰ, শ্ৰীগান্ধাৰ, গান্ধাৰ, বসন্ত, তুৰ বসন্ত, তুৰ- ভাটিয়ালী, ভূপালী, পূৰ্বী, সাৰঙ্গ, নাট, কানাড়া, অহিৰ, বেলোৱাৰ ইত্যাদি ৰাগত গীতসমূহ ৰচনা কৰিছে।
- **চৈধ্য প্ৰসঙ্গৰ পৰিক্ৰমাত বৰগীতৰ স্থান ঃ** বৰগীতৰ এক অন্য বৈশিষ্ট্য পৰিলক্ষিত হয় প্ৰসঙ্গৰ অঙ্গৰূপে কৰা পৰিৱেশনত। সত্ৰসমূহত পুৱাৰ পৰা গধুলিলৈকে যি পাঠ-প্ৰসঙ্গ হয় সেই প্ৰসঙ্গৰ আৰম্ভণি বৰগীতেৰেই কৰা হয়। নিৰ্দিষ্ট কোনো ধৰা-বন্ধা সূচী নাই যদিও সাধাৰণতে পুৱাৰ প্ৰসঙ্গত পুৱাৰ ৰাগ বা বিয়লিৰ প্ৰসঙ্গত বিয়লিৰ ৰাগ গোৱা হয়। অসমৰ বিভিন্ন সত্ৰসমূহত বৰগীতৰ পিছত অন্যান্য ক্ৰমসমূহৰ তাৰতম্য দেখা যায় যদিও যিকোনো প্ৰসঙ্গৰ আৰম্ভণিতে বৰগীত গোৱা ৰীতি সৰ্বত্ৰ বিদ্যমান।
- **বৰগীতৰ সীমাবদ্ধ পৰিত্ৰতা ঃ** বৰগীতসমূহৰ সীমাবদ্ধ পৰিত্ৰতাও ইয়াৰ অন্য এক বৈশিষ্ট্য। চৰিতপুথিত 'বাৰকুৰি' গীতৰ কথা উল্লেখ থাকিলেও বৰ্তমান প্ৰাপ্ত শঙ্কৰ-মাধৱৰ মুঠ 216টা গীতকহে অবিসম্বাদিতভাৱে বৰগীত বোলা হয়। শঙ্কৰ-মাধৱৰ অনুগামী শিষ্য-

প্রশিষ্যসকলে একে ভাষা আৰু ভাব, ৰাগ-তালযক্ত বহুতো আধ্যাত্মিক গীত ৰচনা কৰি থৈ গৈছে যদিও সেইসমূহক 'ৱৰগীত' বুলি মানি লোৱা হোৱা নাই।

- **ভক্তিৰ গাঢ়তা ঃ** ৱৰগীতত পৰিলক্ষিত হোৱা অন্য এক বৈশিষ্ট্য হৈছে ভক্তি অনুভূতিৰ ব্যাপক ৰূপ। ৱৰগীতৰ সমসাময়িকভাৱে বহুতো গীত- পদৰ ৰচনা হৈছিল যদিও সেই গীতত ভক্তিৰ গাঢ়তা ব্যাপক ৰূপত দেখা নাযায়। ভক্তি অনুভূতিৰ আবেগময়তা আৰু তীব্রতাই ৱৰগীতসমূহক সেই সময়ত ৰচিত আন সকলো গীততকৈ পৃথক কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ৱৰগীত বুলিলে কি বুজে ? ৱৰগীতৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি চমুকৈ আলোচনা কৰক।

(100–150টা শব্দৰ ভিতৰত লিখক)

৪.৪ *নাৰায়ণ কাহে ভকতি কৰো তেৰা*

ইতিমধ্যে আপুনি গম পাইছে যে *নাৰায়ণ কাহে ভকতি কৰো তেৰা* শীর্ষক ৱৰগীতটি মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত। তলত এই ৱৰগীতটিৰ মূল পাঠখিনি উল্লেখ কৰি বহলাই আলোচনা কৰা হ'ল।

৪.৪.১ কবি পৰিচয়

মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱক (1889–1568) দৰাচলতে কবি, নাট্যকাৰ, চিত্রশিল্পী, সঙ্গীতজ্ঞ এইসমূহৰ ভিতৰত কি বিভূষণেৰে আখ্যায়িত কৰিলে তেওঁক যথার্থ ৰূপত চিহ্নিত কৰিব পৰা যাব ই এক সাঁথৰ। অসমৰ ধর্ম, সমাজ, সংস্কৃতি, সুকুমাৰ কলা, সাহিত্য আদিৰ দিশত অৰিহণা আগবঢ়োৱা এইজনা অতুল প্রতিভাধৰ ব্যক্তিত্বই একশৰণ নামধর্ম প্রচাৰ আৰু প্রসাৰৰ অর্থে ভাগৱত পুৰাণকেন্দ্রিক সংস্কৃত বৈষ্ণৱ গ্রন্থৰাজিক অৱলম্বন কৰি ব্রজাৱলী ভাষাত বিভিন্ন কাব্য, নাট, গীত, পদ আৰু তত্ত্বমূলক গ্রন্থ আদি ৰচনা কৰি তাৰ দ্বাৰা অসমত নৱৰৈষ্ণৱ ধর্ম প্রচাৰ কৰি নৱজাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। মহাপুৰুষজনাৰ জীৱন আৰু কৃতিৰ বিষয়ে এই যান্মাসিকৰে প্রথম পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত আলোচনা কৰি অহা হৈছে বাবে ইয়াত সেয়া পুনৰাই আলোচনা কৰা নহ'ল।

৪.৪.২ মূল পাঠ আৰু শব্দার্থ নিৰূপণ

ধ্রুং।। *নাৰায়ণ, কাহে ভকতি কৰো তেৰা*
মেৰি পামৰ মন, মাধৱ ঘন ঘন,
ঘাতুক পাপ নোছোৰা।।

পদ।। *যত জীৱ জঙ্গম কীট পতঙ্গম*
অগ নগ জগ তেৰি কায়া।
সবকহু মাৰি পুৰত ওহি উদৰ
নাহি কৰত ভূতদায়া।।
ইশ স্বৰূপে হৰি সব ঘটে বৈঠহ
যৈচন গগণ বিয়াপি।
নিন্দাবাদ পৈশূন্য হিংসা হেৰি
তেৰি কৰোহোঁ হামু পাপী।।
কাকু শঙ্কৰ কৰ কৰহু কৰুণা নাথ
যো নো ছাৰহু ৰাম বাণী।
সব অপৰাধক বাধক তুৱা নাম
তাহে শৰণ লেহোঁ জানি।।

➢ **শব্দার্থ নিৰূপণ ঃ**

কাহে — কেনেকৈ
মেৰি — মোৰ
পামৰু — পাপী
ঘনে ঘন — বাৰে বাৰে, সদায়
ঘাতুক — মাৰক
নাছোৰা — নেৰা
জঙ্গম — চলিব পৰা, গতিশীল (মানুহ)
অগ — অগতিশীল, গতিহীন, চলিব নোৱাৰা (উদ্ভিদ)
নগ — পর্বত
সবকহু — সকলোকে
ওহি — এই
উদৰ — পেট
পুৰত — ভৰোৱা
কৰত — কৰো
ঘটে — শৰীৰ
বৈঠহ — বহি আছা
যৈচন — যেনেকৈ
গগণ — আকাশ
বিয়াপী — ব্যাপি থকা
নিন্দা — পৰৰ দোষ ব্যক্ত কৰা
বাদ — তর্ক, অসজ আলোচনা
পৈশূন্য — খল স্বভাৱ, নিষ্ঠুৰতা, শঠতা
হামু — মই
কাকু — কাতৰ বচন, মিনতি
কৰহু — কৰা
যো — যাতে, যি, যি প্রকাৰে
ন ছাড়হুঁ — নেৰো
বাধক — বিনাশকাৰী
তুৱা — তোমাৰ
লেহু — লওঁ।

৪.৪.৩ বিষয়বস্তুৰ সাধাৰণ আভাস

নাৰায়ণ কাহে ভকতি কৰো তেৰা শীৰ্ষক বৰগীতটি মহাপুৰুষ শঙ্কৰদেৱৰ দ্বাৰা ৰচিত আধ্যাত্মিক ভাবসম্পন্ন এটি সুন্দৰ গীতিকবিতা। সকলো সগুণ অৱতাৰৰ কাৰণ বুলি গণ্য কৰা নাৰায়ণক উদ্দেশ্যি শঙ্কৰদেৱে কাতৰ প্ৰাৰ্থনা জনাইছে। হে নাৰায়ণ; 'কাহে ভকতি কৰো তেৰা'— মই তোমাক কিদৰে ভক্তি কৰিম। 'মেৰি পামৰ মন'— মোৰ এই দুষ্ট মনটো, 'মাধৱ ঘন ঘন ঘাতুক পাপ নোছোৰা'— হে মাধৱ বাৰে বাৰে ঘাতক কাৰ্য্যত অৰ্থাৎ হিংসা ৰূপী পাপকাৰ্য্যত লিপ্ত হৈ পৰে। এই পাপী আত্মাই কিদৰে তোমাৰ ভকতি কৰিব পাৰে? এই সৰ্বনাশকাৰী মনটোৱে অৰ্থাৎ পাপী মনে পাপ এৰিব নোৱাৰে।

এই পৃথিৱীত যিমান গতিশীল জীৱ আছে, কীট পতঙ্গ আছে, 'অগ-নগ-জগ তেৰি কায়া'—পৰ্বত প্ৰভৃতি চলিব নোৱাৰা বা গতিহীন বস্তু আছে, এই আটাইবোৰ তোমাৰেই কায়া অৰ্থাৎ এই আটাইবিলাকতেই তুমি বিৰাজ কৰি আছা। কিন্তু 'সবকহু মাৰি পুৰতওহি উদৰ'— তথাপিও মই এই নিজৰ পেটটো ভৰাবলৈ সকলোকে মাৰো; 'নাহি কৰতু ভূতদায়া'— কোনো প্ৰাণীৰ প্ৰতি কোনো দয়া নেদেখুৱাও। স্বাৰ্থান্বেষী মনে নিজক চিনি পোৱাৰ বাহিৰে আন সকলো কথা পাহৰাই ৰাখে। স্বাৰ্থলোভ আৰু আত্মচিন্তনে সকলো প্ৰাণীৰ প্ৰতি মায়া নাইকিয়া কৰি পেলাইছে। 'ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ'— ঈশ্বৰ ৰূপে তুমি সকলোতে বহি আছা বা স্থিত হৈ আছা। 'যৈচন গগণ বিয়াপী'— যিদৰে আকাশ সকলো ঠাইতে ব্যাপ্ত হৈ থাকে। অৰ্থাৎ আকাশ যিদৰে সকলো ঠাইতে ব্যাপ্ত হৈ আছে জীৱাত্মাৰ শৰীৰতো তুমি সেইদৰে ঈশ্বৰ ৰূপে ব্যাপ্ত হৈ আছা। 'নিন্দাবাদ পৈশূন্য হিংসা হেৰি'— হে হৰি পৰৰ দোষ দেখা, তৰ্ক কৰা, অসজ আলোচনা কৰা, নিষ্ঠুৰতা বা শঠতা আদি প্ৰকৃতপক্ষে তোমাকহে এই পাপীৰ দ্বাৰা কৰা হৈছে 'তেৰি কৰোঁহো হামু পাপী'।

সেয়ে শঙ্কৰদেৱে এই বুলি কাতৰ প্ৰাৰ্থনা কৰিছে 'কৰুণা নাথ যো নো ছাৰহু ৰাম বাণী'— হে নাথ, কৃপা কৰা, যাতে মই ৰামনাম নেৰোঁ। 'সৱ অপৰাধক বাধক তুৱা নাম'— তোমাৰ নামেই হৈছে সকলো অপৰাধৰ বিনাশকাৰী। 'তাহে শৰণ লেহোঁ জানি'— তাকে জানি অৰ্থাৎ এই কথা সত্য বুলি জানি তোমাৰ নামত শৰণ লৈছোঁ।

৪.৪.৪ আধ্যাত্মিক ভাবৰ প্ৰকাশ

বৰগীতটোৰ প্ৰধান বা মুখ্য বিষয় হৈছে ভক্তি। বিভিন্ন বিষয়বস্তুৰ সমাহাৰেৰে ভক্তি ভাব সৃষ্টিৰ বাবে আধ্যাত্মিক ভাবসম্পন্ন গীতসমূহ ৰচনা কৰা হৈছে। ভগৱানৰ মহিমা বৰ্ণনা আৰু মহিমা উপলব্ধিৰ বাবে তত্ত্বৰ উপদেশ আৰু ভগৱানৰ লীলাৰ বৰ্ণনাত আধ্যাত্মিক ভাবৰ প্ৰাধান্য আৰু ভক্তি অনুভূতিৰ আন্তৰিকতা বৰগীতসমূহৰ এক প্ৰধান লক্ষণ। *নাৰায়ণ কাহে ভকতি কৰো তেৰা* গীতটিৰ জৰিয়তে চঞ্চল মনৰ ইন্দ্ৰিয়বৰ্গৰ

দ্বাৰা সকলো ধৰণৰ পাপ কাম কৰি তাৰ জৰিয়তে আমি আমাৰ নিজৰ ক্ষতি সাধন কৰাৰ লগে লগে যে ভগৱন্তৰ প্ৰতিহে নিন্দা, শঠতা আৰু হিংসা-পৈশূন্য কৰা হৈছে সেই কথা স্পষ্ট ৰূপত প্ৰকাশ কৰিছে—

"নিন্দাবাদ পৈশূন্য হিংস হেৰি
তেৰি কৰোহোঁ হামু পাপী।।"

ইয়াৰ লগে লগে শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শনৰ আন এক ছবি সুন্দৰভাৱে প্ৰস্ফুটিত হৈ উঠিছে। জগতৰ জীৱ অৰ্থাৎ চলিব পৰা, চলিব নোৱাৰা জীৱ, কীট-পতঙ্গৰ মাজত শঙ্কৰদেৱে সমতা দেখা পাইছে। এই সকলোবোৰ যে ঈশ্বৰৰেই অংশ। আমি মাথোঁ নিজৰ অজ্ঞতা, শঠতা, হিংসা আৰু ঈৰ্ষাৰ বশৱৰ্তী হৈ স্বাৰ্থলোভী আৰু পাপী হৈ দিনে দিনে পাপকাৰ্যত ব্ৰতী হৈছো। এই সকলো পাপৰ দ্বাৰা যে আমি কেৱল ভগৱানকহে প্ৰৱঞ্চনা কৰিছো সেই কথা শঙ্কৰদেৱে স্পষ্ট ৰূপত ব্যাখ্যা কৰিছে।

সকলো ধৰ্মৰ জীৱৰ প্ৰতি সমভাব থকা শঙ্কৰদেৱে সকলো জীৱ-জন্তু, কীট-পতঙ্গই যে এক জীৱাত্মা তথা ভগৱানৰ অংশ এই দাৰ্শনিক মত পোষণ কৰিছে এনেদৰে-

"যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জয় তেৰি কায়া।।"

আনহাতে, আকাশ যিদৰে সৰ্বব্যাপ্তমান, ঠিক সেইদৰে নাৰায়ণো সৰ্ববিৰাজমান— এই তত্ত্বৰ জৰিয়তে শঙ্কৰদেৱৰ উদাৰ মানসিক স্থিতি প্ৰকাশ পোৱাৰ লগে লগে সকলো জীৱ যে ভগবানৰেই অংশবিশেষ এই কথাও সাৱলীলভাৱে বৰ্ণনা কৰিছে।

সকলো পাপৰ, সকলো অপৰাধৰ বিনাশকাৰী এই ভগৱন্তই। সেয়ে শঙ্কৰদেৱে কৰুণাময়ৰ শ্ৰীচৰণত কাকূতি কৰিছে যেন ভগৱন্তই তেওঁক কৃপা কৰে আৰু ৰাম নাম নেৰিবলৈ সুমতি দিয়ে।

"যি ***নিৰ্গুণ*** তত্ত্বৰ উপলব্ধি প্ৰাৰ্থনাৰ পৰম লক্ষ্য, সেই লক্ষ্যত উপনীত হোৱাটো সাধাৰণ লোকৰ কাৰণে অতি দুষ্কৰ অথবা অসম্ভৱ। জীৱই ***সগুণ*** তত্ত্বৰ পৰা নিজকে পৃথক কৰিব নোৱাৰে আৰু সাধনাৰ ক্ষেত্ৰত পৰম লক্ষ্য নিৰ্গুণ সত্যৰ অস্তিত্বকো অস্বীকাৰ কৰিব নোৱাৰে। সেই কাৰণে সগুণৰ মাজতে নিৰ্গুণ প্ৰাপ্তিৰ উপায় দিয়া হৈছে। পৰমতত্ত্ব ভগৱন্ত স্বয়ং নিৰ্গুণ হৈও তেওঁৰ প্ৰকৃতি বা এই সৃষ্টি সগুণ। নিৰ্গুণেই সগুণ সৃষ্টিৰ নিমিত্ত কাৰণ আৰু উপাদান কাৰণো। এই সগুণ বিশ্ব নিৰ্গুণৰ লীলামাত্ৰ।"



নিৰ্গুণ ঃ সত্ত্ব, ৰজঃ আৰু তমঃ গুণ —এই তিনি গুণৰ বাহিৰ, নিৰ্লিপ্ত।

সগুণ ঃ সত্ত্ব, ৰজঃ আৰু তমঃ গুণ যুক্ত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *নাৰায়ণ কাহে ভকতি কৰো তেৰা* ৰৰগীতটিত ফুটি উঠা আধ্যাত্মিক ভাৱৰ বিষয়ে চমুকৈ আলোচনা কৰক।
(100–150টা শব্দৰ ভিতৰত লিখক)

৪.৫ *আলো মঞি কি কহবো দুখ*

তলত মাধৱদেৱ বিৰচিত *আলো মঞি কি কহবো দুখ*শীৰ্ষক বৰগীতটিৰ মূল পাঠখিনি উল্লেখ কৰাৰ লগতে তাৰ লগত সংগতি থকা প্ৰতিটো দিশেই বহলাই আলোচনা কৰা হ'ল।

৪.৫.১ কবি পৰিচয়

হেজাৰী ঘোষাৰ স্ৰষ্টা মহাপুৰুষ মাধৱদেৱ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক তথা পথ প্ৰদৰ্শক মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰিয়তম শিষ্য, সেৱক আৰু এগৰাকী প্ৰধান সঙ্গী। 1489 খ্ৰীঃত বৰ্তমানৰ উত্তৰ লখিমপুৰৰ নাৰায়ণপুৰত জন্ম লাভ কৰা মাধৱদেৱৰ পিতৃ-মাতৃ ক্ৰমে গোবিন্দগিৰি ভূঞা আৰু মনোৰমা। সৰ্বশাস্ত্ৰ বিশাৰদ মাধৱদেৱ প্ৰথমাৱস্থাত শাক্ত পন্থী অৰ্থাৎ বলি-বিধানৰ সমৰ্থক আছিল। মাতৃৰ ৰুগ্নাৱস্থাত গোঁসানীলৈ বুলি ছাগলী আগ কৰি থোৱা মাধৱদেৱে 1522 খ্ৰীঃত ধুৱাহাট বেলগুৰি নামে ঠাইত শঙ্কৰদেৱৰ সৈতে মুখামুখি হৈ শাক্তধৰ্মৰ বিৰুদ্ধে শাস্ত্ৰযুদ্ধত লিপ্ত হ'বলগীয়া হয় আৰু পাণ্ডিত্যা-ভিমানী শাক্তধৰ্মী মাধৱদেৱে শাক্তধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিবলৈ গৈ বৈষ্ণৱপন্থী শঙ্কৰৰ লগত তৰ্কত পৰাস্ত হৈ শঙ্কৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰে।এই সংঘটনটোৱেই আছিল মাধৱদেৱৰ জীৱন চৰ্যাৰ এক বিশেষ পৰিঘটনা। মাধৱদেৱৰ জীৱন আৰু কৃতিৰ বিষয়ে ইতিমধ্যে এই ষাণ্মাসিকৰে প্ৰথম পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত আলোচনা কৰি অহা হৈছে, সেয়ে পুনৰুক্তি কৰা নহ'ল।

৪.৫.২ মূল পাঠ আৰু শব্দাৰ্থ নিৰূপণ

ধ্ৰুং।। *আলো মঞি কি কহবো দুখ।*
পৰাণ নিগৰে নাদেখিয়া চান্দ-মুখ।।

পদ।। কত পূণ্যে লভিলো গুণেৰ নিধি শ্যাম।
বাঞ্ছিয়া নিলেক নিকৰুণ বিধি বাম।।
শ্যামকানু বিনে মোৰ নৰহে জীৱন।
হা শ্যাম বুলিতে অকুল কৰে মন।।
দিবস নযাই সুখে নযাই ৰজনী।
চান্দ চন্দন মন্দ-পবন বৈৰিণী।।
কোথা যাওঁ কোথা থাকোঁ কিবা কৰে মন।
কানাইৰ নেওছনি দেও সব বন্ধুজন।।
শ্যাম কানু বিনে জীৱনৰ কিবা কাজ।
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ।।
নাজানো দাৰুণ বিধি কি কৰে বিপত্তি।
কহয় মাধৱ ৰঙ্গা পদে মোৰ গতি।।

শব্দার্থ নিৰূপণ ঃ

আলো	— হেৰা	পৰাণ	— প্ৰাণ
নিধি	— ভঁৰাল	নিগৰে	— ওলাই যায়, বৈ যায়
বাম	— বিৰুদ্ধ, বিপৰীত	ৰজনী	— ৰাতি
মন্দ	— বেয়া	বৈৰিণী	— শত্ৰু
নেওচনি	— তুচ্ছজ্ঞান কৰা, নেওচা দিয়া	অনল	— জুই

৪.৫.৩ বিষয়বস্তুৰ আভাস

মহাপুৰুষ মাধৱদেৱৰ দ্বাৰা ৰচিত *আলো মঞি কি কহবো দুখ*শীৰ্ষক বৰগীতটি গোপী বিৰহ বিষয়ক গীত। কৃষ্ণৰ অনুপস্থিতিত গোপীৰ কাৰণে দশোদিশ অন্ধকাৰাছন্ন হৈ পৰিছে। দিন নাযাই ৰাতি নুপুৰাই সদৃশ পৰিস্থিতিৰ মুখামুখি হোৱা গোপীয়ে বিৰহ-বেদনা প্ৰকাশ কৰিছে এনেদৰে— 'আলো মঞি কি কহবো দুখ'— হেৰা, মইনো দুখৰ কথা কি ক'ম ? 'পৰাণ নিগৰে নাদেখিয়া চান্দ মুখ'— কৃষ্ণৰ চন্দ্ৰ সদৃশ মুখখনি দেখিবলৈ নাপাই মোৰ প্ৰাণ ওলাই যাব খুজিছে। কিমান যে পুণ্যৰ ফলত 'গুণেৰ নিধি' অর্থাৎ গুণৰ ভঁৰাল শ্যামকানুক লাভ কৰিছিলো; কিন্তু নিষ্ঠুৰ আৰু প্ৰতিকূল বিধাতাই আমাক বঞ্চনা কৰিলে অর্থাৎ আমাক বঞ্চিত কৰি কানুক লৈ গ'ল। শ্যামকানুৰ বিনে মোৰ এই জীৱনেই অসম্ভৱ, বৃথা। হা শ্যাম বুলি কওঁতেই মন দেই পুৰি যায়। কি দিন কি ৰাতি এধানমান সময়ো সুখেৰে কটাব নোৱাৰো। শ্যামকানুৰ কথা ভাবোঁতে চিন্তোঁতে যিবিলাক বস্তুৰে গা-মন জুৰ পেলায়, অর্থাৎ চন্দ্ৰ, চন্দন, মৃদু মলয়া বতাহ —এই সকলোবোৰেই মোৰ কাৰণে দুখদায়ক শত্ৰু হৈ পৰিছে। এইসমূহ সুখৰ অনুভূতিয়ে মোক শান্তি দিব পৰা নাই। ক'লৈ যাওঁ, ক'ত থাকোঁ— এনেকুৱা অস্থিৰ ভাবে মনটো যেন কিবা কৰি পেলাইছে। কানাইৰ কাৰণেই সকলো বন্ধু-বর্গ, জ্ঞাতি-কুটুম্বক তুচ্ছ জ্ঞান কৰি সকলোকে নেওচা দিলোঁ, ত্যাগ কৰিলোঁ। একমাত্ৰ বন্ধু শ্যামকানুৰ অবিহনে এই জীৱনৰ আৰু কি কাম আছে? হিয়াৰ মাজত বিৰহৰ জুই জ্বলিব লাগিছে। ক'ব নোৱাৰোঁ, দাৰুণ বিধিয়ে বা আৰু কি কি বাধ্য বিপত্তি ঘটায়। সেয়ে মাধৱদেৱে শেষত কৈছে যে— এই সকলো প্ৰকাৰৰ বিপত্তিতে, বাধা বিঘিনিতে কৃষ্ণৰ ৰঙা চৰণ দুটিয়েই সকলোৰে আশ্ৰয়ৰ স্থলী। অর্থাৎ কৃষ্ণৰ চৰণ চিন্তাৰ বাহিৰে আমাৰ দৰে ভক্তসবৰ আৰু আন উপায় নাই।

৪.৫.৪ গীতটিৰ বিশ্লেষণ

মাধৱদেৱ বিৰচিত *আলো মঞি কি কহবো দুখ* এই গীতটিৰ মাজেৰে কৃষ্ণশূন্য গোকুলৰ গোপীসবৰ নিকৰুণ অৱস্থাৰ এক বিৰহ বর্ণনা স্পষ্ট ৰূপত দাঙি ধৰা হৈছে। শ্যামকানুৰ অনুপস্থিতিতশ্যাম, হা শ্যাম বুলি বিৰহত দগ্ধ গোপ-গোপীসকলৰ দিন নাযাই ৰাতি নুপুৰাই সদৃশ পৰিস্থিতিৰ উদ্ভৱ হৈছে। যি কৃষ্ণৰ বাবেই সকলোকে তুচ্ছজ্ঞান কৰি

মিত্র কুটুম্বকো ত্যাগ কৰিলে, সেই কৃষ্ণৰ অনুপস্থিতিত আজি কোনো কথাই মনত শান্তি দিব পৰা নাই। গকুলৰ গা জুৰ কৰা মলয়া বতাহ, চন্দন আৰু চন্দ্রৰ মৃদু কোমল পোহৰেও আজি কাকো আস্বস্ত কৰিব পৰা নাই। গুণৰ ভাণ্ডাৰ শ্যামকানুক কত পূণ্যৰ বলত লাভ কৰিছিল। কিন্তু বিধিয়ে বঞ্চনা কৰি তাকো কাঢ়ি লৈ যোৱাত গোটেই গকুলবাসী বিৰহত দগ্ধ হৈ পৰিছে আৰু শ্রীকৃষ্ণৰ চন্দ্র সদৃশ মুখখনি দেখিবলৈ নাপাই দুখত প্রাণটো যেন ওলাই যাব খুজিছে। বিৰহৰ অগনিত হিয়া ভগা কান্দোন নিগৰি অহাৰ লগতে নিজৰ প্রাণটোও নিগৰি নিগৰি ওলাই আহি যেন শেষ হৈ যাব। দাৰুণ বিধিয়ে এনে বিপত্তি ঘটোৱাত গোপীসকলৰ মনত বিৰহৰ জুই জ্বলিছে। ভগৱান শ্রীকৃষ্ণৰ অলৌকিকতাৰ বিপৰীতে গোপ-গোপীসকলৰ লৌকিক দৃশ্যৰ অৱতাৰণাই গীতটি অধিক মধুৰ আৰু প্রাণস্পর্শী কৰি তুলিছে।

কোনো *চৰিত পুথিয়ে* সাক্ষ্য নিদিয়া বা ক'তো লিখিতভাৱে উল্লেখ নথকা অথচ মানুহৰ মুখে মুখে বাগৰি অহা আন এক বিশ্লেষণো এই গীতটিৰ ৰচনাৰ কাৰণ বুলি চলি অহা শুনা যায়। শঙ্কৰদেৱৰ মৃত্যুৰ পিছত ৰামানন্দই মৃতকৰ সৎকাৰ কৰি মূৰত বগা কাপোৰ মাৰি যেতিয়া মাধৱদেৱৰ সন্মুখত আহি ওলালহি মাধৱদেৱৰ তেতিয়া বুজিবৰ বাকী নাথাকিল যে গুৰুজনাৰ মহাপ্রয়াণ হ'ল। তেতিয়া দুখত ভাগি পৰি মাধৱদেৱে এই গীতটিৰ ৰচনা কৰে বুলি আন এক প্রবাদ চলি আহিছে। কৃষ্ণৰ অনুপস্থিতিত গকুলৰ গোপ-গোপীসকলৰ যি অৱস্থা সেই একেই অৱস্থা গুৰু প্রয়াণৰ পিছত মাধৱদেৱৰো হৈছিল। বৰগীতটিত কৃষ্ণ আৰু গোপীসকলৰ মাজত যি জীৱাত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ কথা কৈছে, সেই একে অর্থতে মাধৱদেৱে পৰমাত্মা স্বৰূপ গুৰুজনাৰ লগত জীৱাত্মা স্বৰূপ মাধৱদেৱৰ মিলনৰ কথাকেই বুজাবলৈ চেষ্টা কৰিছে। শঙ্কৰদেৱৰ বিয়োগত মাধৱদেৱ যেন শূন্য হৈ পৰিছে। শ্যামকানু অবিহনে যেনেকৈ গকুলৰ গোপ-গোপীসকলৰ জীৱন বৃথা ঠিক তেনেদৰে শঙ্কৰদেৱৰ বিয়োগত মাধৱদেৱৰ জীৱনো বৃথা। একমাত্র বন্ধু শ্যামকানুৰ অবিহনে গোপ-গোপীসকলৰ জীৱনৰ আৰু একো কাম নোহোৱাৰ দৰে গুৰুজনৰ মৃত্যুত মাধৱদেৱে নিজৰ জীৱনটো অসাৰ যেন অনুভৱ কৰিছে। সেয়ে শেষত মাধৱদেৱে পুনৰ আত্মোক্তি কৰিছে যে এনে বিপদত শ্যামকানুৰ চৰণ চিন্তাৰ বাদে আন একো উপায় নাই কাৰণ শ্রীকৃষ্ণৰ ৰঙা চৰণ দুটিয়েই হৈছে সকলোৰে আশ্রয়ৰ স্থল।

ওপৰত উল্লেখ কৰি অহা এই প্রবাদৰ কোনো লিখিত সাক্ষ্য পোৱা নাযায়; কিন্তু গীতৰ ভাবৰ গভীৰতা আৰু বিষয়বস্তুৰ প্রতি লক্ষ্য ৰাখি এই মুখনিসৃত প্রবাদ চলি অহালৈ চাই এই কথা একেবাৰে নুই কৰিব পৰা নাযায়। দুয়োটি দিশৰ পৰাই ভাবৰ বিশ্লেষণ কৰি চালে ইয়াৰ সম্পূর্ণ মর্মার্থ উপলব্ধি কৰিব পাৰি। মাধৱদেৱৰ কৃষ্ণভক্তি, গুৰুভক্তি তথা গুৰুপ্রীতিৰ কথা বৰগীতটিৰ জৰিয়তে স্পষ্ট ৰূপত প্রতিফলিত হৈছে। সাংগীতিক দিশৰ পৰা ভক্তি ৰসৰ আস্বাদন দিব পৰা এই সুমধুৰ গীতটিৰ বিপৰীতে সাহিত্যিক দিশৰ পৰাও অতি মনোৰম।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *আলো মঞি কি কহবো দুখ* বৰগীতটিত কৃষ্ণ বিৰহত আতুৰ গোপীসকলৰ মনোদশাৰ বিৱৰণ মহাপুৰুষজনাই কেনেদৰে দিছে চমুকৈ আলোচনা কৰক। (100–150টা শব্দৰ ভিতৰত লিখক)

৪.৫.৫ কাব্যিক সৌন্দর্য

মাধৱদেৱৰ বৰগীতসমূহ সাঙ্গীতিক দিশত অত্যন্ত উচ্চ খাপৰ হোৱাৰ লগতে কাব্যিক দিশৰ পৰাও ঐশ্বর্যশালী। এই গীতটিত কৃষ্ণৰ অনুপস্থিতিত গকুলৰ গোপ-গোপীসকলৰ কি পৰিস্থিতিৰ সৃষ্টি হৈছে তাৰ এক নিখুঁত চিত্র অঙ্কিত হৈছে। গুণৰ নিধি শ্যামকানুক কত পুণ্যৰ বলত লাভ কৰিছিল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে সকলোকে বঞ্চনা কৰি কানুক লৈ গ'ল। শ্যামকানুৰ অবিহনে জীৱনেই বৃথা। এনে অৱস্থাত একো বস্তুৱেই সুখ দিব নোৱাৰে। এনেকি দিনে-ৰাতিয়েই ক'লৈ যাওঁ কি কৰোঁ যেন পৰিস্থিতিত গকুলৰ চন্দ্র, আকাশ-বতাহ সকলো যেন শত্রুহে হৈ পৰিছে। শ্যামকানুৰ মুখখন নেদেখিলে বিৰহৰ জুইত দগ্ধ হৈ প্রাণ ওলাই যাব খোজা এনে এক কল্পচিত্রৰ সহায়ত বৰগীতটি ৰচনা কৰা হৈছে।

কিন্তু কবি মাধৱদেৱে কেৱল বিৰহৰ বর্ণনা দিয়েই ক্ষান্ত থকা নাই। তেওঁ এই গীতৰ জৰিয়তে ভক্তৰ ভগৱন্তৰ প্রতি থকা গভীৰ অনুৰাগ অতি হৃদয়স্পর্শী ৰূপত ফুটাই তুলিছে।

"শ্যামকানু বিনে মোৰ নৰহে জীৱন
হা শ্যাম বুলিতে দগধ কৰে মন।।
.....
শ্যামকানু বিনে জীৱনৰ কিবা কাজ।
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ।।"

গীতটিত পৰমাত্মাৰ সৈতে মিলিবলৈ জীৱাত্মাই কৰা এক আকুল আকাঙ্খা প্রকাশ পাইছে।

বৰগীতটি সাধাৰণপদ ছন্দত ৰচিত। ভাবৰ অনুগামীৰূপে 14 আখৰযুক্ত প্রতিটো চৰণত লয়, যতি, ছন্দৰ সু-সমন্বয় সাধিত হৈছে। কিন্তু কেৱল মাত্র ছন্দ বা অলঙ্কাৰে এটি গীতৰ সৌষ্ঠৱ বঢ়োৱাৰ লগে লগে ইয়াৰ মাজত নিহিত হৈ থাকে ভাবৰ কথাটোও। ভাব বিচাৰত ৰসৰ প্রসঙ্গ অৱশ্যম্ভাৱী। বৰগীতৰ প্রধান ৰস হৈছে ভক্তি। ভক্তি ৰসৰ প্রাৱল্যই এই বৰগীতটোতো ভাবৰ গভীৰতাৰ লগতে ভক্তিৰ গভীৰতাক প্রগাঢ় ৰূপত তুলি ধৰিছে আৰু ইয়াৰ লগতে ছন্দসজ্জা তথা হৃদয় উঠলি উঠা শব্দ চয়নে বৰগীতটিৰ কাব্যিক

সৌন্দর্যক মহিমামণ্ডিত ৰূপত সজাই তুলিছে। মহেশ্বৰ নেওগে বৰগীতৰ ভাষা হিচাপে ব্ৰজাৱলীৰ ব্যৱহাৰ সম্বন্ধে এটি গুৰুত্বপূৰ্ণ কথা কৈছিল যে মাধৱদেৱে ব্ৰজাৱলীৰ বন্ধনৰ পৰা আঁতৰি আহি তেওঁৰ বৰগীতসমূহত ইয়াৰ এটি সৰলীকৃত ৰূপ ব্যৱহাৰ কৰিছিল। তুলনামূলক বিচাৰত শঙ্কৰদেৱৰ বৰগীতসমূহত অধিক সংস্কৃত শব্দৰ প্ৰয়োগৰ বিপৰীতে মাধৱদেৱৰ বৰগীত অধিকভাৱে আধুনিক অসমীয়াৰ ওচৰ চপা। ইয়াৰ মাজতো কিন্তু বৰগীতসমূহত ব্ৰজাৱলীৰ আলংকাৰিক চাপৰ লক্ষণ প্ৰত্যক্ষ কৰিব পাৰি যদিও ভাষাৰ সৰলীকৃত ৰূপে মাধৱদেৱৰ বৰগীতসমূহ সৰ্বসাধাৰণৰ বাবে অধিক অন্তৰস্পৰ্শী ৰূপত পৰিস্ফুট হৈ উঠিছে।



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়ৰ অন্তৰ্গত প্ৰথমটি বৰগীতত কবি মহাপুৰুষ শঙ্কৰদেৱে সকলো সগুণ অৱতাৰৰ কাৰণ নাৰায়ণক কিদৰে ভক্তি কৰিব তাৰ উপায় বিচাৰি পোৱা নাই। কাৰণ দুষ্ট মনে বাৰে বাৰে হিংসাৰূপী পাপকাৰ্য্যতহে লিপ্ত হৈ পৰে। এই পৃথিৱীৰ কীট-পতঙ্গ, পশু-পক্ষী সকলো তেওঁৰেই কায়া; কিন্তু সকলোকে মাৰি কেৱল নিজ পিট প্ৰৱৰ্তনৰ কথাকেহে ভাবি কোনো প্ৰাণীৰ প্ৰতি দয়া নেদেখুৱাই নিন্দা, শঠতা আৰু হিংসাত প্ৰবৃত্ত হৈ প্ৰকৃতপক্ষে যে ভগৱন্তকহে অবমাননা কৰা হৈছে সেই কথাৰ মৰ্ম উপলব্ধি কৰি শঙ্কৰদেৱে শেষত প্ৰাৰ্থনা জনাইছে যে— হে নাথ, তুমি কৃপা কৰা যাতে ৰাম নাম নেৰো। সকলো পাপৰ বিনাশকাৰী বুলিজানিয়েই মই তোমাৰ নামত শৰণ লৈছো— এক আধ্যাত্মিক ভাবদৰ্শনেৰে সংপৃক্ত হৈ থকা এই গীতটি ভক্তিৰসৰ প্ৰাবল্যই অধিক আকৰ্ষণীয় ৰূপত প্ৰকাশ পাই মূৰ্ত হৈ উঠিছে। শঙ্কৰদেৱৰ পৰশ সমৃদ্ধ শব্দ চয়নেৰে ই অধিক ভাবগধুৰ হৈ পৰিছে।
- দ্বিতীয়টি বৰগীতত কবি মহাপুৰুষ মাধৱদেৱে ভক্ত আৰু ভগৱন্তৰ মাজৰ একাত্মতাক সুন্দৰ ৰূপত উপস্থাপন কৰিছে। শ্যামকানুৰ অনুপস্থিতিত ভক্তৰ হৃদয় শূন্য হৈ পৰাৰ লগতে জীয়াই থকাটোৱেই বৃথা যেন অনুভৱ হৈছে। বৰগীতটিৰ মাজেৰে জীৱাত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ সুৰ তথা ভক্তিৰসৰ মাজেদি ভক্ত আৰু ভগৱন্তৰ মাজত থকা গভীৰ আন্তৰিক অনুৰাগৰ ভাব স্পষ্ট ৰূপত প্ৰকট হৈ উঠিছে। মাধৱদেৱৰ কাব্যিক বিচক্ষণতাৰ প্ৰভাৱত সাধাৰণ বিষয়বস্তুৱেও অসাধাৰণ ৰূপ লাভ কৰাটোৱেই হৈছে এই বৰগীতটিৰ এক তাৎপৰ্য্যপূৰ্ণ দিশ।
- ভগৱানৰ মাহাত্ম্য আৰু লীলা প্ৰকাশ কৰাই হৈছে দুয়োটি গীতৰ উদ্দেশ্য।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1) গোস্বামী, পৰিত্ৰ প্ৰাণ (2004); প্ৰবন্ধ, *গীতৰ ঐতিহ্যবাহী পূৰ্ব ভাৰতীয় শাস্ত্ৰীয় সঙ্গীত বৰগীতৰ ৰাগ-বিৰৰণ আৰু তাত্বিক আলোচনা সহ স্বৰলিপি*; মিনাৰ্ভা ইণ্ডিয়া।
2) দত্ত বৰুৱা, হৰিনাৰায়ণ (সম্পা.) (2002); *বৰগীত*; গুৱাহাটী ঃ দত্তবৰুৱা পাব্লিচিং কোঃ প্ৰাঃ লিঃ।
3) দেৰ গোস্বামী, কেশৱানন্দ (1997); *বৰগীত ঃ পৰম্পৰা আৰু পৰিৱেশন পদ্ধতি*; গুৱাহাটী ঃ লয়ার্চ বুক ষ্টল।
4) নেওগ, মহেশ্বৰ (2003); *অসমীয়া সাহিত্যৰ দৃষ্টিপাত*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
5) নেওগ, মহেশ্বৰ (1987); *শ্ৰীশ্ৰীশঙ্কৰদেৱ*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
6) মহন্ত , বাপচন্দ্ৰ (সম্পা.) (1992); *বৰগীত*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰৰ্ছ।
7) মহন্ত, প্ৰদীপজ্যোতি (2007); *শঙ্কৰদেৱৰ শিল্পলোক*; গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশ।
8) শৰ্মা, সত্যেন্দ্ৰনাথ (2000); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; ৰিহাবাৰী, গুৱাহাটী।



৪.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ বৰগীত মানে কি... ...ইয়াৰ মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰি বহলাই আলোচনা কৰিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ আলোচ্য বৰগীতটিৰ বিষয়বস্তুৰ সম্যক আভাষ... ...সগুণৰ মাজতে নিৰ্গুণ প্ৰাপ্তৰ উপায় কি দৰে ব্যক্ত হৈছে বহলাই লিখিব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ *আলো মঞি কি কহবো দুখ*বৰগীতটিত বিষয়বস্তু... ...কৃষ্ণ বিৰহত আতুৰ গোপীসকলৰ মনোদশাৰ বিৰৰণ দাঙি ধৰিব লাগিব উদাহৰণসহ।



৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ *নাৰায়ণ কাহে ভকতি কৰো তেৰা* বৰগীতটিৰ বিষয়বস্তু সম্বন্ধে এটা টোকা লিখক।

প্ৰশ্ন ২ ঃ *"যত জীৱ জঙ্গম কীট পতঙ্গম*
অগ নখ জল তেৰি কায়া।।"
—আপোনাৰ পাঠৰ আধাৰত এই কবিতাফাকিৰ যথার্থতা বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ 'বৰগীতৰ বৈশিষ্ট্য' শীৰ্ষক এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ ব্যাখ্যা কৰক ঃ

ক) *ঈশ স্বৰূপে হৰি সব ঘটে বৈঠহ*
যৈচন গগন বিয়াপী।

খ) *সব অপৰাধক বাধক তুৱা নাম*
তাহে শৰণ লেহোঁ জানি।

গ) *মেৰি পামৰ মন মাধৱ ঘনে ঘন*
ঘাতুক পাপ নোছোৱা।

প্ৰশ্ন ৫ ঃ শঙ্কৰদেৱৰ গীতত আধ্যাত্মিকতাৰ প্ৰভাৱ— আপোনাৰ পাঠৰ আধাৰত এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ *আলো মঞি কি কহবো দুখ*—গীতটিৰ কাব্যিক সৌন্দৰ্যৰ চমু আভাস দিয়ক।

প্ৰশ্ন ৭ ঃ *আলো মঞি কি কহবো দুখ*—গীতটিৰ বিষয়বস্তু সম্পৰ্কে এটি আলচ যুগুত কৰি বিশ্লেষণাত্মক দৃষ্টিভঙ্গীৰে আপোনাৰ মতামত আগবঢ়াওক।

প্ৰশ্ন ৮ ঃ ব্যাখ্যা কৰক—

ক) *কত পুণ্যে লভিলো গুণেৰ নিধি শ্যাম*
বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম।।

খ) *দিবস নযাই সুখে নযাই ৰজনী।*
চান্দ চন্দন মন্দ পবন বৈৰিণী।।

গ) *কোথা যাওঁ কোথা থাকো কিবা কৰে মন।*
কানাইৰ নেওছনি দেও সব বন্ধুজন।।

ঘ) *শ্যাম কামু বিনে জীৱনৰ কিবা কাজ।*
বিৰহ অনল জ্বলে হৃদয়ৰ মাজ।।

*** ***** ***